**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 16**-04-2026
**Time:** 19-10 Hrs

## *Assamese Evening Bulletin*
## *Headlines*

**:::::::::::::::::::::::::::::::::::::::::**

১। আজিৰে পৰা আৰম্ভ হোৱা সংসদৰ তিনি দিনীয়া বিশেষ অধিৱেশনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহিলা সংৰক্ষণৰ বিধেয়কক ঐতিহাসিক আখ্যা দিয়ে।

২। দেশত লোকপিয়ল-২০২৭ৰ কাম চলি আছে। প্ৰথম পৰ্যায় ত কেইবাখনো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত আজিৰে পৰা ঘৰৰ তালিকা প্ৰস্তুতৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে।

৩। যুদ্ধ সদৃশ পৰিস্থিতিৰ বাবে বিশ্ব অৰ্থনৈতিক বৃদ্ধি মন্থৰ হোৱা সত্বেও দেশৰ অৰ্থনীতি শক্তিশালী হৈ থকাৰ সম্ভাৱনা আছে।

৪। উচ্চতম ন্যায়ালয়ে আজি পশ্চিমবংগৰ এহেজাৰতকৈও অধিক প্ৰশাসনিক আৰু আৰক্ষী বিষয়াৰ বদলিক প্ৰত্যাহ্বান জনাই দাখিল কৰা এখন আবেদন খাৰিজ কৰিছে। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি এখন খেলত মুম্বাই ইণ্ডিয়ানছ পঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব।

০০০০

মহিলাৰ আসন সংৰক্ষণ আৰু সমষ্টি পুনৰ নিৰ্ধাৰণ বিধেয়ক সন্দৰ্ভত আলোচনাৰ বাবে আজি আৰম্ভ হোৱা সংসদৰ তিনি দিনীয়া বিশেষ অধিৱেশনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহিলা সংৰক্ষণৰ বিধেয়কক ঐতিহাসিক আখ্যা দিয়ে। দেশৰ ৫০ শতাংশ জনসংখ্যাক লৈ গুৰুত্বপূৰ্ণ সিদ্ধান্ত তথা ৰাষ্ট্ৰ নিৰ্মাণৰ প্ৰক্ৰিয়াত অংশ গ্ৰহণৰ সুযোগ লাভ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে গৌৰৱান্বিত হোৱা বুলি উল্লেখ কৰি তেওঁ কয়, যে নাৰী শক্তিয়ে দেশৰ উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে আৰু মহিলাসকলক বৰ্তমান সময়ত নীতি প্ৰণয়নৰ ক্ষেত্ৰত উপযুক্ত প্ৰতিনিধিত্ব কৰাটো সময়ৰ আহ্বান হৈ পৰিছে। আজি লোকসভাত নাৰী শক্তি বন্দন অধিনিয়মৰ সাংবিধানিক সংশোধনীৰ সৈতে জড়িত তিনিখন মূল বিধেয়ক– ১০০ আৰু ৩১ নম্বৰ সংশোধনী বিধেয়ক ২০২৬, কেন্দ্ৰীয় শাসিত অঞ্চল আইন সংশোধনী বিধেয়ক আৰু সমষ্টিৰ সীমা পুনৰ নিৰ্ধাৰণ বিধেয়ক ২০২৬ উত্থাপনৰ সময়ত শ্ৰী মোদীয়ে এই মন্তব্য কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে লগতে এই আইনখনক লৈ বিৰোধী পক্ষক ৰাজনৈতিক ৰহন নাসানিবলৈ আহ্বান জনায়।

কেন্দ্ৰীয় আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে বিধেয়ককেইখন উত্থাপন কৰি কয়, যে চৰকাৰে মহিলাসকলক ৰাজনৈতিক ন্যায় প্ৰদানৰ হকে কাম কৰি আছে। তেওঁ লগতে কয় যে সংবিধানৰ ১০০ আৰু ৩১ নম্বৰ সংশোধনী বিধেয়ক ২০২৬ য়ে মহিলাৰ বাবে সমতা সুনিশ্চিত কৰিব। ড০ বি আৰ আম্বেদকাৰৰ উদ্ধৃতিৰে শ্ৰীমেঘৱালে কয় যে মহিলাৰ প্ৰগতিৰ মাজেৰে সমাজৰ প্ৰগতি পৰিস্ফুট হয়। মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষনৰ এয়াই উপযুক্ত সময় বুলি তেওঁ মন্তব্য কৰে। শ্ৰীমেঘৱালে কয় যে নৰেন্দ্ৰ মোদী চৰকাৰে মহিলাৰ আৰ্থ সামাজিক উন্নয়নৰ বাবে ভালেমান আচনি প্ৰৱৰ্তন কৰিছে। তেওঁ এই সন্দৰ্ভত মুদ্ৰা যোজনা, লাখপতি বাইদেউ আৰু সুকন্য সমৃদ্ধি যোজনাৰ দৰে আচনিৰ উদাহৰণ দিয়ে।ইয়াৰ পূৰ্বে বিৰোধি

পক্ষৰ সদস্যসকলে বিধেষক কেইখন উত্থাপনৰ বাবে ভোট বিভাজনৰ দাবী উত্থাপন কৰে। অধ্যক্ষ ওম বিৰলাই ২৫১ গৰাকী সদস্যই বিধেয়ক উত্থাপনৰ সপক্ষে আৰু ১৮৫ গৰাকীয়ে বিপক্ষে ভোটদান কৰা বুলি ঘোষণা কৰে।

ইয়াৰ আগেয়ে কংগ্ৰেছৰ সাংসদ কে চি বেণুগোৱালে বিধেয়ককেইখন উত্থাপনৰ বিৰোধিতা কৰি কয় যে ই দেশৰ যুক্তৰাষ্ট্ৰীয় গাঁথনি দুৰ্বল কৰি তুলিব। ইয়াৰ পাছতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে শ্ৰীবেণুগোপালে বিধেয়ককেইখন প্ৰস্তুত কৰা সন্দৰ্ভত কাৰিকৰী আপত্তিহে উত্থাপন কৰিব পাৰে, বিধেয়ককেইখনৰ গুণ-দোষ সন্দৰ্ভত কোৱাৰ অধিকাৰ তেওঁৰ নাই।

কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে মহিলাৰ বাবে আসন সংৰক্ষণ বিধেয়ক সন্দৰ্ভত কয়, যে ই এক ঐতিহাসিক বিধেয়ক। এই বিধেয়কখন কাৰ্যকৰী হোৱাৰ পাছত গণতন্ত্ৰত মহিলাসকলে সমান সুযোগ লাভ কৰিব।

সমাজবাদী পাৰ্টীৰ সাংসদ অখিলেশ যাদৱে খৰখেদাকৈ বিধেয়ককেইখন উত্থাপন কৰাৰ আৱশ্যকতাক লৈ প্ৰশ্ন তুলি কয় যে প্ৰথমতে লোকপিয়লৰ কাম সম্পূৰ্ণ কৰা উচিত। তৃণমূল কংগ্ৰেছৰ কাকলি ঘোষ দাস্তিদাৰে বিধেয়ককেইখন উত্থাপনৰ বিৰোধিতা কৰি কয় যে ইয়াৰ জৰিয়তে মহিলাৰ বাবে আসন সংৰক্ষণৰ বিষয়টো সমষ্টি পুনৰনিৰ্ধাৰণৰ ওপৰত নিৰ্ভৰশীল কৰিব বিচৰা হৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ইয়াৰ প্ৰত্যুত্তৰত কয় যে দেশত ইতিমধ্যে লোকপিয়ল প্ৰক্ৰিয়া আৰম্ভ হৈছে আৰু চৰকাৰে ইতিমধ্যে জাতিগত পিয়ল অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

ইয়াৰ পূৰ্বে লোকসভা মিলিত হোৱাৰ সময়ত সদনে ৯২ বছৰ বয়সত মুম্বাইত যোৱা ১২ এপ্ৰিলত মৃত্যুবৰণ কৰা কিম্বদন্তি পাৰ্শ্বগায়িকা আশা ভোশলেৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে।

০০০০

দেশত লোকপিয়ল-২০২৭ৰ কাম চলি আছে। লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ অধীনত কেইবাখনো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত আজিৰে পৰা ঘৰৰ তালিকা প্ৰস্তুতৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ, গোৱা, কৰ্ণাটক, লাক্ষাদ্বীপ, মিজোৰাম, ওড়িশা, ছিকিম আৰু ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰৰ নতুন দিল্লী পৌৰনিগম আৰু দিল্লী ছাউনী পৰিষদৰ অধীনৰ ঠাইসমূহত তালিকা প্ৰস্তুতৰ কাম চলি আছে। ১৫ মে'লৈ চলিবলগীয়া এই প্ৰক্ৰিয়াৰ সময়ত প্ৰশিক্ষিত গণনাকাৰীসকলে ঘৰে ঘৰে গৈ তথ্য সংগ্ৰহ কৰিব। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এইবাৰৰ লোকপিয়লত প্ৰথমবাৰৰ বাবে প্ৰৱৰ্তন কৰা স্ব-গণনাৰ বিকল্পৰ প্ৰতি জনসাধাৰণৰ মাজত ব্যাপক উৎসাহ দেখা গৈছে। এই বিকল্পৰ অধীনত প্ৰায় ১২ লাখ পৰিয়ালে অনলাইন ব্যৱস্থাৰে তথ্য দাখিল কৰিছে। স্ব-গণনা প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা লোকসকলক স্বগণনাৰ পৰিচয়পত্ৰ সাজু ৰাখিবলৈ আৰু ক্ষেত্ৰ পৰিদৰ্শনৰ সময়ত গণনাকাৰীসকলক পৰিচয় পত্ৰ দেখুৱাবলৈ পৰামৰ্শ দিয়া হৈছে। এই বিকল্প বাছনি নকৰাসকলক ভৌতিক গণনা প্ৰক্ৰিয়াৰে সামৰি লোৱা হ'ব।

লোকপিয়লৰ সমগ্ৰ প্ৰক্ৰিয়াটোত ৩০ লাখৰো অধিক গণনা কৰ্মী, পৰ্যবেক্ষক আৰু অন্য বিষয়া নিযোগ কৰা হৈছে। জনসাধাৰণে ১৬টা ভাষাত তথ্য দিব পাৰিব। লোকপিয়লৰ দ্বিতীয় পৰ্যায় অহা বছৰ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব। এই পৰ্যায়ত বয়স, লিংগ, বৃত্তি, সাক্ষৰতা আৰু জাতিগত সবিশেষকে ধৰি ব্যক্তিগত তথ্য আহৰণ কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰে লোকপিয়ল-২০২৭ৰ বাবে ১১ হাজাৰ ৭১৮ কোটিৰো অধিক টকাত অনুমোদন দিছে।

০০০০

আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ মূৰববী ক্ৰিষ্টালিনা জাৰ্জিভাই কৈছে যে, যুদ্ধ সদৃশ পৰিস্থিতি আৰু অন্যান্য ভূ-ৰাজনৈতিক অস্থিৰতাৰ বাবে বিশ্ব অৰ্থনৈতিক বৃদ্ধি মন্থৰ হোৱা সত্বেও ভাৰতৰ অৰ্থনীতি স্থিতিস্থাপক হৈ থকাৰ সম্ভাৱনা আছে। আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিৰ কাৰ্যালয়ত এখন সংবাদ মেল সম্বোধন কৰি জাৰ্জিভাই কয়, যে দেশৰ শক্তিশালী আন্তঃগাঁথনিৰ বাবেই ভাৰত এনে পৰিস্থিতিত দুৰ্বল হৈ পৰা নাই। তেওঁ লগতে কয়, যে ভাৰতৰ অৰ্থনৈতিক বিকাশৰ হাৰ গোলকীয় হাৰতকৈ

দুগুণতকৈও অধিক হৈছে। আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ মুৰববীগৰাকীয়ে ভাৰতৰ এই সফলতাৰ আঁৰত বিগত সময়ছোৱাত ভাৰতে গ্ৰহণ কৰা ধাৰাবাহিক নীতিগত সংস্কাৰ আৰু প্ৰতিষ্ঠানিক ক্ষমতা বৃদ্ধিক কৃতিত্ব প্ৰদান কৰে। তেওঁ লগতে কয়, যে ভাৰতকে ধৰি উন্নয়নশীল বজাৰ অৰ্থনীতিসমূহে মুদ্ৰা নিধিৰ ক্ষেত্ৰত নিজৰ নীতিগত কাঠামোৰ যথেষ্ট উন্নতি সাধন কৰিছে। ভাৰতৰ দৰে নতুনকৈ শক্তিশালীৰূপত আত্মপ্ৰকাশ কৰা অৰ্থনীতিসমূহে স্বতন্ত্ৰ কেন্দ্ৰীয় বেংক, বিত্তীয় পৰিষদ স্থাপন কৰাৰ লগতে শক্তিশালী সংৰক্ষিত পুঁজি গঢ়ি তুলিছে। অৱশ্যে পশ্চিম এচিয়াত দীৰ্ঘদিনীয়া সংঘাত অব্যাহত থাকিলে সকলো দেশৰ অৰ্থনীতিতে বিৰূপ প্ৰভাৱ পৰিব পাৰে বুলিও ক্ৰিষ্টালিনা জাৰ্জিভাই সকলোকে সতৰ্ক কৰি দিয়ে।

০০০০

দেশৰ সৰ্বোচ্চ ন্যায়ালয়ে আজি পশ্চিমবংগৰ এহেজাৰতকৈও অধিক প্ৰশাসনিক আৰু আৰক্ষী বিষয়াৰ বদলিক প্ৰত্যাহ্বান জনাই দাখিল কৰা এখন আবেদন খাৰিজ কৰিছে। ৰাজ্য চৰকাৰ আৰু নিৰ্বাচন আয়োগৰ মাজত থকা বিশ্বাসহীনতাৰ কথা উল্লেখ কৰি ন্যায়ালয়ে এই সিদ্ধান্ত লয়। অৱশ্যে নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ৰাজ্যসমূহত প্ৰশাসনিক সালসলনিৰ পূৰ্বে নিৰ্বাচন আয়োগে সংশ্লিষ্ট ৰাজ্য চৰকাৰৰ সৈতে আলোচনা কৰাৰ প্ৰয়োজন আছে নে নাই এই বিষয়টো আলোচনা কৰাৰ বাবে উচ্চতম ন্যায়ালয়ে দুৱাৰ মুকলি ৰাখিছে। মুখ্য ন্যায়াধীশ সূৰ্যকান্ত, ন্যায়াধীশ জয়মাল্য বাক্সি আৰু বিপুল এম পাঞ্চলী বিচাৰপীঠখনে কয়, যে পশ্চিমবংগত ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনৰ ক্ষেত্ৰত সংশ্লিষ্ট পক্ষসমূহৰ মাজত বিশ্বাসৰ অভাৱ হোৱাৰ বাবেই উচ্চতম ন্যায়ালয়ে ৰাজ্যখনত ন্যায়িক বিষয়া নিযুক্তি দিবলগা হৈছিল। উল্লেখযোগ্য যে, নিৰ্বাচন আয়োগে বিষয়া বদলি কৰা সিদ্ধান্তক প্ৰত্যাহ্বান জনাই কলকাতা উচ্চ ন্যায়ালয়ত এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰা হৈছিল। ৩১ মাৰ্চত কলকাতা উচ্চ ন্যায়ালয়ে এই আবেদনখন খাৰিজ কৰিছিল। ইয়াৰ পাছতে আবেদনকাৰী উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, অষ্ট্ৰিয়াৰ চেঞ্চেলৰ ড০ খ্ৰিষ্টিয়ান ষ্টকাৰৰ সৈতে হোৱা আলোচনা সফল আৰু ফলপ্ৰসূ আছিল। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰীগৰাকীয়ে  কয়, যে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত ষ্টকাৰৰ এয়া প্ৰথম ভাৰত ভ্ৰমণ। এই ভ্ৰমণে ভাৰত-অষ্ট্ৰিয়া সম্পৰ্কৰ প্ৰতি থকা তেওঁৰ দূৰদৰ্শিতা আৰু দায়বদ্ধতা প্ৰতিফলিত কৰিছে। বাৰ্তাটোত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লগতে কয়, যে বিগত চাৰিটা দশকৰ ভিতৰত অষ্ট্ৰিয়াৰ কোনো এগৰাকী চেঞ্চেলৰে প্ৰথমবাৰৰ বাবে ভাৰত ভ্ৰমণ কৰিছে। সেয়ে এই ভ্ৰমণ দুয়োখন দেশৰ বাবে অধিক বিশেষ হৈ ৰ'ব বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে কয়, যে ভাৰত-ইউৰোপীয় সংঘৰ মুক্ত বাণিজ্য চুক্তিৰ পৰিপ্ৰেক্ষিতত এই আলোচনা হৈছে আৰু ইয়ে ভাৰত আৰু ইউৰোপীয় সংঘৰ সম্পৰ্কত এক নতুন অধ্যায়ৰ সূচনা কৰিছে।

উল্লেখযোগ্য যে আজি নতুন দিল্লীত অষ্ট্ৰিয়াৰ চেঞ্চেলৰ ড০ খ্ৰিষ্টিয়ান ষ্টকাৰৰ সৈতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এখন বিশেষ বৈঠকত মিলিত হৈছিল। বৈঠকত দুয়োখন দেশে খাদ্য সুৰক্ষা সন্দৰ্ভত বুজাবুজিৰ চুক্তি, সহযোগিতা আৰু সামৰিক দিশত তথা সন্ত্ৰাসবিৰোধী যুটীয়া কাৰ্যগোটকে ধৰি কেইবাখনো চুক্তিত স্বাক্ষৰ কৰে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত মুম্বাই ইণ্ডিয়ানছ পঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। ইতিমধ্যে  টছত জিকি পঞ্জাৱ কিংছে প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ